অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং : ৩০৫

উত্তৰ দানৰ তাৰিখ : ১৪-০৭-২০২৬

*বিষয়* : বাওখুংগী LAC ত পৰিবেশ সংৰক্ষণ

শ্ৰীৰূপম চন্দ্ৰ ৰয়, বিধায়ক :

মাননীয় পৰিবেশ ও বন বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনেঃ

বাওখুংগ্ৰী LAC ৰ অন্তৰ্গত চক্ৰশীলা Wildlife Sanctuary ৰ সংৰক্ষণ, Biodiversity management আৰু Sustainable Eco-Tourism উন্নয়নৰ বাবে বৰ্তমান গ্ৰহণ কৰা পদক্ষেপ আৰু আগন্তুক পৰিকল্পনা সমূহ অনুগ্ৰহ কৰি সদনত দাখিল কৰিব।

**উত্তৰ:**

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা মহোদয়ে উত্তৰ দিব :

বাওখুংগ্ৰী সমষ্টিৰ অন্তৰ্গত চক্ৰশীলা অভয়াৰণ্য ৪৫.৫৬ বৰ্গ কি.মি. এলেকা সোণালী বান্দৰৰ বাবে বিখ্যাত, ইয়াত ২০২১ চনৰ পিয়ল মতে ৮৯৩ টা সোণালী বান্দৰ আছে। ইয়াত প্ৰকৃতিৰ সৌন্দৰ্য্যৰে ভৰপুৰ, বিভিন্ন প্ৰজাতিৰ চৰাই, সাপ আৰু বনৰীয়া জীৱ জন্তুৰে ভৰি আছে। সোণালী বান্দৰ বিচৰণৰ বাবে ৫ (পাঁচ) খন কেন'পি সংযুক্ত দলং তৈয়াৰ কৰা হ'ল। বান্দৰ সমূহক সুৰক্ষিত কৰিবলৈ ১৭.২ কি.মি. দুৰ্বল উলগং বৈদ্যুতিক তাৰক ইনছুলেটেদ কেবল তাৰলৈ সলনি কৰা হয়।

পৰ্য্যটন বিভাগৰ পৰা ধীৰবিল আৰু ডিপলাই বিলত এটা এটাকৈ নতুন Homestay/Resort বনাই থকা হৈ আছে। সোণালী বান্দৰৰ সংৰক্ষণৰ বাবে চোৰাং চিকাৰী বিৰোধী শিৱিৰ বনাবৰ বাবে পৰিকল্পনা কৰা হৈছে।

বাওখুংগ্ৰী উৎসৱ প্ৰত্যেক বছৰে ইংৰাজী এপ্ৰিল মাহৰ ১২ ৰ পৰা ১৪ তাৰিখত Eco-Tourism ৰ কাৰণে বহু দূৰ-দূৰণিৰ পৰা মানুহ আহি বাওখুংগ্ৰীৰ সৌন্দৰ্য্য উপভোগ কৰে।

****